**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৩৫/২০১৯**

**শোণিতপুৰত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত মাতৃ বন্দনা সপ্তাহ উদ্বোধন**

**তেজপুৰ, ২ ডিচেম্বৰ:** সমগ্ৰ দেশৰ লগতে আজিৰে পৰা শোণিতপুৰ জিলাতো সপ্তাহজোৰা কাৰ্যসূচীৰে মাতৃ বন্দনা সপ্তাহৰ শুভাৰম্ভ কৰা হয়। আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সমাজ কল্যাণ বিভাগৰ উদ্যোগত অনুষ্ঠিত এখন সভাত উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে বন্তি প্ৰজ্বলনেৰে মাতৃ বন্দনা সপ্তাহ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত প্ৰথম সন্তানৰ বাবে গৰ্ভৱতী মহিলা বা ইতিমধ্যে প্ৰথম সন্তান জন্ম দি স্তনপান কৰাই থকা মহিলা সকলক তিনিটা কিস্তিত পাঁচহাজাৰ টকাৰ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হয়।

কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত ২ৰ পৰা ৮ ডিচেম্বৰলৈ মাতৃ বন্দনা সপ্তাহ উদযাপন কৰা হ'ব । এই আঁচনি সন্দৰ্ভত পৰ্যাপ্ত সজাগতা সৃষ্টিৰ বাবে কাইলৈ জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা এক সজাগতা সমদল উলিওৱা হ'ব ।

সমাজ কল্যাণ বিভাগৰ উদ্যোগত আয়োজন কৰা আজিৰ সভাত সভাপতিত্ব কৰি উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে এই আঁচনিৰ সঠিক ৰূপায়নৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে আৰু কোনো উপযুক্ত মহিলা যাতে বাদ নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আহবান জনায় । মাণ্ডলিক কল্যাণ বিষয়া তথা ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া ছমচেৰা হাজৰিকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা লগতে যোজনাৰ বিষয়ে সবিশেষ জনায় ।

সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মা, চক্ৰ বিষয়া পঙ্কজ চমুৱা, তেজপুৰ পৌৰ সভাৰ পৌৰপতি পুষ্পা ডেকা, যুটীয়া সঞ্চালক, স্বাস্থ্য সেৱা, ড০ কৃষ্ণা কেম্প্ৰাই, লিড় বেংকৰ প্ৰবন্ধক, কনকলতা অসামৰিক চিকিৎসালয়ৰ ড০ ৰিনি দুৱৰা, বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া, আৰু সমাজ কল্যাণ বিভাগৰ অংগনবাড়ী কৰ্মী, সহায়িকা, তত্তাৱধায়ক আদিৰ লগতে বিভিন্ন বিষয়া কৰ্মচাৰী, বেচৰকাৰী সংস্থাৰ বিষয়ববীয়া আৰু এই আচঁনিৰ হিতাধিকাৰী এই সভাত উপস্থিত থাকে ।